Exam: 2-12-2012
(1:00 pm to 3:00 pm)

# অসম ন্যায়িক সেৱা - ১

AJS, Grade-I

২০১২

Paper-IV(অসমীয়া)

সময় ঃ ২ ঘণ্টা মুঠ নম্বৰ-৫০

১) এজন ন্যায়িক বিষয়াৰ পদোন্নতি বিবেচনাৰ বাবে উচ্চ ন্যায়ালয়ে আপুনি প্ৰদান কৰা তিনিটা ৰায় বিচাৰিলে কি মাপ কাঠিৰে, কি কি উপাদান সম্বলিত ৰায় আপুনি বাছনি কৰি পঠাব সেই বিষয়ে অসমীয়াত এখন ৰচনা লিখক। ১০

নাইবা

ন্যায় পালিকাত ভ্ৰষ্টাচাৰ সম্বন্ধে এটা টোকা অসমীয়াত লিখক।

২) তলৰ ইংৰাজী গদ্যাংশৰ অসমীয়া ভাঙনি লিখক। ৬

Taking note of religious diversity of his people, Akbar laid the foundations of secularism and religious neutrality of the State in a variety of ways. The secular constitution that India has adopted in 1950, after independence from the British rule, has many features already championed by Akbar in the 1590. Akbar took reason to be supreme and insisted that we should be free to examine whether reason does or does not support any existing custom or policy.

৩) ইংৰাজীলৈ অনুবাদ কৰক ঃ ৬+৬

(ক) ফ্লেট ক্ৰয়-বিক্ৰয়ৰ প্ৰয়োজনীয় সকলো বিধিগত কাম সম্পূৰ্ণ কৰি দলিলত চুক্তিপত্ৰ প্ৰস্তুত কৰা হয় আৰু সেই দলিলত বাদী আৰু বিবাদী দুয়োপক্ষই স্বাক্ষৰ কৰি পঞ্জীয়ণ কৰে। চুক্তি অনুযায়ী বাদীয়ে ফ্লেট নিৰ্মাণ নোহোৱা পৰ্যন্ত বা ফ্লেটৰ মালিকী স্বত্ব আৰু দখল সমজি নোলোৱা পৰ্যন্ত কেইবাটাও কিস্তিত বাদীয়ে নিয়মীয়াকৈ কিস্তিৰ ধন আদায় দি আছিল। উল্লেখনীয় যে বাদীয়ে এই কিস্তিৰ ধন নিজৰ কষ্টোপাৰ্জিত আয়ৰ লগত মোৰ পৰা আৰু বেঙ্কৰ পৰাও ঋণ লৈ সংগ্ৰহ কৰিছিল।

(খ) সম্মান পূৰ্বক নিবেদন এই যে আজি বিয়লি প্ৰায় ৩-৩০ মান বজাত বেলতলা লক্ষ্মী মন্দিৰত থকা মোৰ ঘৰৰ পৰা পত্নীৰ নামত থকা AS-01V-2240 নম্বৰৰ ইণ্ডিকা গাড়ীখনেৰে ওলাই বেলতলা তিনিআলি পাৰ হৈ লখিমি বিবাহ ভৱন থকা গলিটোৰে গৈ থাকো। সেই সময়ত এখন বগা ৰঙৰ, মেঘালয়ৰ ৰেজিষ্ট্ৰেচন থকা, তীব্ৰ বেগেৰে অহা ইণ্ডিকা গাড়ী এখনে মোৰ গাড়ীখন পাৰ হৈয়েই মাজ ৰাষ্টাত মোক আগ ভেটা দি ৰবলৈ বাধ্য কৰে। উক্ত গাড়ীখন ৰখায়েই কেইজন মান যুবক হুৰমুৰকৈ গাড়ীৰ পৰা নামি আহি প্ৰথমে মোৰ গাড়ীৰ চাবিটো কাঢ়ি লয় আৰু মোক বহি থকাৰ পৰা গাৰ জোৰেৰে নমাই এজন যুবক গাড়ীত বহি লয়। সেই সময় খিনিত যুবক কেইজনে অশ্ৰাব্য ভাষাৰে গালিগালাজ কৰে আৰু শাৰীৰিক ভাৱে অপদস্ত কৰাৰ লগতে মোক প্ৰাণে মৰাৰ ভাবুকি দিয়ে। গাড়ীখন এইদৰে কাঢ়ি লৈ যায়। গাড়ীত মোৰ বহুমূল্য নথিপত্ৰ আৰু নগদ ধন আছিল। উচিত তদন্ত কৰি গাড়ীখন উদ্ধাৰ কৰি দোষীক শাস্তি বিহিবলৈ অনুৰোধ জনালোঁ।

৪) তলত দিয়া শব্দ বা শব্দ সমষ্টিৰ ইংৰাজী অনুবাদ কৰক আৰু অসমীয়াত বাক্য ৰচনা কৰক (যি কোনো ছয়টা)ঃ ১২
চুটি-চাপৰ, বাপতি সাহোন, ৰাজস্ব, তাৰে আবতৰীয়া, বাজেয়াপ্ত, প্ৰপৌত্ৰ, ছিয়াশী, বায়না।

৫) তলৰ বাক্য চাৰিটা শুধৰাই লিখক ঃ ৩+২+৩+২

(ক) প্ৰতিশ্ৰুতি তুমি পোহপাল মই সেৱা শুশ্ৰুষা কৰি মোক দি থাকিবা দিয়াত কৰি বুলি উইল তোমাৰ নামত দিছিলা।

(খ) শব্দ শব্দৰ যেতিয়া পাৰি ৰায় চুটি দ্বাৰাই সুন্দৰ লিখিব দীঘল নকৰি ব্যৱহাৰ তেনেস্থানত।

(গ) ভাগ একেটা কৰি ব্যাখ্যাযুক্ত এটা প্ৰকাশ যেতিয়া কৰিব তেতিয়া বহুতো ব্যাখ্যা নিদি কেইটামান বাক্যতে বেলেগ বাক্যত বেলেগ তুমি দিব খোজা বক্তব্য।

(ঘ) বিচাৰক, অধিবক্তাৰ, নাটকৰ ভাৱৰীয়াৰ, বুৰঞ্জীবিদৰ, বিনোদন নিয়াবলৈ পতিয়ণ কৰিবলৈ অতীত বৰ্ণনা কৰিবলৈ নিচিনা কথা ৰায় নকয় নিচিনা দিবলৈ মাত্ৰ কয় নিচিনা কথা।

- ০০০০ -